জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৪৫/২০২৩**

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত অসমৰ ৰাজ্যপালে প্ৰদান কৰিলে সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা

**দিছপুৰ, ২৪ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াই স্বাস্থ্য, কলা আৰু সংস্কৃতি, ক্ৰীড়া, বিজ্ঞান, কৃষি, পৰ্যটন, উদ্যোগ আদি ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱা ২১ গৰাকী ব্যক্তিক ক্ৰমে অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা প্ৰদান কৰে।

উল্লেখ্য যে স্বাস্থ্য সেৱা (কৰ্কট চিকিৎসা) আৰু ৰাজহুৱা সেৱাৰ বাবে ডাঃ তপন কুমাৰ শইকীয়াক অসম বৈভৱ বঁটা প্ৰদান কৰা হয়। অসম চিকিৎসা মহাবিদ্যালয়ৰ এইগৰাকী প্ৰাক্তন ছাত্ৰই ১৯৮১ চনত টাটা মেম'ৰিয়েল হাস্পতালত নিজৰ কৰ্মজীৱনৰ সূচনা কৰিছিল। ইয়াৰ পিছত তেওঁ প্ৰিন্স আলী খান হাস্পতালত সেৱা আগবঢ়াই বৰ্তমান মুম্বাইৰ জছলক হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰত কৰ্মৰত হৈ আছে।

এইবাৰৰ অসম গৌৰৱ বঁটা ৫ গৰাকী ব্যক্তিলৈ আগবঢ়োৱা হৈছে। কলা আৰু সংস্কৃতি (ভ্ৰাম্যমান থিয়েটাৰ)ৰ বাবে কৃষ্ণ ৰয়, ক্ৰীড়া (ফুটবল) ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে গিলবাৰ্টছন চাংমা, ক্ৰীড়া (ল'ন বল) ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে নয়ন মণি শইকীয়া, বিজ্ঞানৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ড° বিনয় কুমাৰ শইকীয়া, স্বাস্থ্য সেৱা আৰু জনসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ডাঃ শশীধৰ ফুকনলৈ অসম সৌৰভ বঁটা আগবঢ়োৱা হয়।

বিভিন্ন ক্ষেত্ৰত অসাধাৰণ সেৱাৰ স্বীকৃতি স্বৰূপে ১৫ গৰাকী ব্যক্তিক অসম গৌৰৱ বঁটা প্ৰদান কৰা হয়। জনসেৱাৰ বাবে ধৃতিমালা ডেকা, কৃষি ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে দেৱজিৎ বৰ্মন, পৰ্যটন ক্ষেত্ৰৰ বাবে ৰুস্তম বসুমতাৰী আৰু মানজে লা, পৰিৱেশ আৰু বন ক্ষেত্ৰৰ বাবে বিনন্দ হাতীবৰুৱা, সমাজসেৱাৰ বাবে গ্ৰুপ কেপ্টেইন অতুল চন্দ্ৰ বৰুৱা, উদ্যোগ ক্ষেত্ৰৰ বাবে কল্যাণী ৰাজবংশী, ৰাজহুৱা সেৱাৰ বাবে চিলা গোৱালা, কৃষি আৰু আনুসংগিক ক্ষেত্ৰৰ বাবে ড° যোগেশ দেউৰী, উদ্যোগ ক্ষেত্ৰৰ বাবে ডাঃ পঙ্কজ লাল গগৈ, প্ৰগতিশীল কৃষক হিচাপে সৰ্বেশ্বৰ বসুমতাৰী, কৃষি আৰু আনুসাংগিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে মানথাং মাৰ আৰু ড° ধ্ৰুৱ জ্যোতি শৰ্মা, মুখা নিৰ্মাণ আৰু মুখাভিনয়ৰ বাবে দয়াল গোস্বামী আৰু চিকিৎসা ক্ষেত্ৰৰ বাবে ডাঃ ছৈয়দ ইফটিকাৰ আহমেদক অসম গৌৰৱ বঁটা আগবঢ়োৱা হয়।

এই বঁটা প্ৰাপকসকলে চৰকাৰী চিকিসালয়ত বিনামূলীয়া চিকিৎসা আৰু উপলব্ধতা অনুসৰি পেয়িং কেবিনত থকাৰ সুবিধা, ৰাজ্য চৰকাৰৰ আৱৰ্ত্ত ভৱন, অতিথিশালা আৰু অসম ভৱনত বিনামূলীয়াকৈ থকাৰ সুবিধা, বিশিষ্ট অতিথি হিচাপে চৰকাৰী অনুষ্ঠানসমূহলৈ নিয়মীয়া আমন্ত্ৰণ, গুৰুতৰ ৰোগৰ চিকিৎসাৰ বাবে ২ লাখ টকালৈকে চিকিৎসা ব্যয় লাভ আৰু প্ৰস্তাৱিত যাত্ৰাৰ ২৪ ঘণ্টা পূৰ্বে অৱগত কৰোৱা সাপেক্ষে অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছত বিনামূলীয়া ভ্ৰমণৰ সুবিধা লাভ কৰিব।

অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতিফলন হোৱাকৈ আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক কাৰ্যসূচীও পৰিৱেশন কৰা হয়।

অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কেবিনেট মন্ত্ৰীসকল, বিধায়কসকল, শীৰ্ষ চৰকাৰী বিষয়াসকল আৰু সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলো উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ**
**২৪/৩/২০২৩**